# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-09-2024
**Time :** 21-25 Hrs

# Assamese Night Bulletin
**:::::::::::::::::::::::::::::::::**

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ ১০০ দিন পূৰ হোৱাৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰতৰ পথত অগ্ৰসৰ হোৱাৰ এশ দিন উপলক্ষে চৰকাৰে মহিলা নেতৃত্বাধীন বিকাশৰ লক্ষ্য লৈছে। ইয়াৰ অধীনত মহিলাৰ দ্বাৰা ক্ৰয় কৰা সম্পত্তিৰ বাবে ষ্টাম্প শুল্ক হ্ৰাস কৰিবলৈ ৰাজ্যসমূহক উৎসাহিত কৰা হৈছে। তদুপৰি হোষ্টেল আৰু মহিলা নিৰ্ধাৰিত দক্ষতা কাৰ্যসূচীৰজৰিয়তে মহিলাৰ কৰ্মশক্তিৰ অংশগ্ৰহণত উদগণি যোগোৱা হৈছে। পৰ্যটন খণ্ডত মহিলাসকলৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিবলৈ পৰ্যটন দিদি আৰু পৰ্যটন মিত্ৰ আঁচনি লোৱা হৈছে। তদুপৰি গ্ৰাম্য জীৱিকাৰ সুবিধা বৃদ্ধি কৰিবলৈ ৰাষ্ট্ৰীয় গ্ৰামীন জীৱিকা মিছনৰ অধীনত ৯০ লাখৰো অধিক আত্মসহায়ক গোটত ১০ কোটি মহিলাক সংগঠিত কৰা হৈছে। একেদৰে নাৰী শক্তিক উপকৃত কৰা আঁচনিৰ বাবে এই বছৰৰ  বাজেটত ৩ লাখ কোটি টকা আৱণ্টন দিয়া হৈছে। এতিয়ালৈকে ১১ লাখ নতুন লাখপতি দিদিয়ে প্ৰধানমন্ত্ৰীৰ পৰা প্ৰমাণপত্ৰ লাভ কৰিছে।  আনহাতে, ২ লাখ ৩৫ হাজাৰ আত্মসহায়ক গোটৰ ২৬ লাখ সদস্যাক সহায় কৰিবলৈ ৫ হাজাৰ কোটি টকা মূল্যৰ ব ংকেৰ ঋণ মুকলি কৰা হৈছে। মহিলা উদ্যোগীৰ সৱলীকৰণৰ বাবে মুদ্ৰা ঋণৰ সীমা ১০ লাখ টকাৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।  একেদৰে মহিলাৰ বাবে গৃহৰ মালিকীস্বত্ত আৰু মৰ্যদা নিশ্চিত কৰিবলৈ ৩ কোটি অতিৰিক্ত ঘৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত পৰিকল্পনা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহিলাসকলৰ সৱলীকৰণত গুৰুত্ব আৰোপ কৰি কয় যে, শিক্ষা, উদ্যমিতা, কৃষি প্ৰযুক্তি আৰু অন্য পদক্ষেপৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰ মহিলাসকলৰ সৱলীকৰণৰ বাবে দায়বদ্ধ।

আকাশবাণী দৃষ্টিপাত অনুষ্ঠানত আজি **মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন সম্পূৰ্ণ** সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰা হয়। এই অনুষ্ঠানত অংশ লৈ অসম বিজেপিৰ মুখপাত্ৰ ৰূপম গোস্বামী আৰু সাংবাদিক সঞ্জীৱ কলিতাই কয় যে, বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ এশটা দিনত দেশৰ পথ, পৰিবহন, কৃষক ৰাইজৰ উন্নয়ন, যুৱ প্ৰজন্ম, মহিলা, অনুসূচীত জাতি-জনজাতিৰ উন্নয়নৰ উপৰি ৩ খন নতুন ফৌজদাৰী আইন কাৰ্যকৰীকৰণৰ দ্বাৰা যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা হৈছে। তদুপৰি অসমৰ জাগীৰোডত ছেমিকনডাক্টৰ প্ৰকল্পৰ দ্বাৰা ৰাজ্যখনৰ লগতে উত্তৰ পূৰ্বাঞ্চলে অহা ১০ বছৰত উদ্যোগিক ক্ষেত্ৰত অভূতপূৰ্ব ৰূপান্তৰ প্ৰত্যক্ষ কৰিব বুলি উল্লেখ কৰে।

০০০

কেন্দ্ৰীয় চৰকাৰৰ গুৰু উদ্যোগ আৰু তীখা দপ্তৰৰ মন্ত্ৰী এইচ দি কুমাৰাস্বামীয়ে আজি কাৰ্বি আংলং জিলাৰ বোকাজান মহকুমাত উপস্থিত হৈ কেইবাটাও কাৰ্যসূচীত অংশ লয়। তেওঁ ভাৰত চিমেণ্ট নিগম লিমিটেডে বোকাজানত নতুনকৈ স্থাপন কৰা **হট গেছ ইউটিলাইজেশ্বন ইন ৰ মিলছ**ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে উত্তৰ পূৰ্বাঞ্চলত উদ্যোগৰ আন্তঃগাথনি বিকাশৰ ক্ষেত্ৰত গুৰুত্ব দিয়া

হব। কাৰিকৰী বিষয়ত দক্ষতা থকা যুৱক-যুৱতীয়ে বোকাজান চিমেণ্ট কাৰখানাত নিযুক্তি লাভ কৰিব বুলি তেওঁ আশ্বাস দিয়ে। মন্ত্ৰীগৰাকীয়ে বোকাজান মহকুমাত এক মেগাৱাট শক্তিসম্পন্ন সৌৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, অসম বিধান সভাৰ উপাধ্যক্ষ ডাঃ নোমল মমীনৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০

বৰাক উপত্যকাৰ কোনো কোনো অঞ্চলত আজি বিয়লিৰ ভাগত অহা প্ৰচণ্ড ধুমুহাত বিস্তৰ ক্ষতি হয়। কৰিমগঞ্জ জিলাৰ কেইবাটাও অঞ্চলত ধাৰাষাৰ বৰষুণ আৰু ধুমুহাৰ ফলত গ্ৰীষ্মপ্ৰৱাহ কিছু সাম কাটে যদিও নিৰ্মীয়মান দুৰ্গা পুজা মণ্ডপকে ধৰি বিভিন্ন অনুষ্ঠানৰ ক্ষতি হয় বুলি জানিব পৰা গৈছে।

০০০

কেন্দ্ৰীয় পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে বন্যপ্ৰাণীৰ আৱাসভূমিৰ সংহত উন্নয়নৰ বাবে ১০০ দিনীয়া লক্ষ্য সম্পূৰ্ণ কৰিছে। শেহতীয়াকৈ কেন্দ্ৰীয় মন্ত্ৰীসভাই বন্যপ্ৰাণীৰ আৱাসভূমিৰ উন্নয়ন আঁচনিৰ ৰূপায়ণ অব্যাহত ৰখাৰ বাবে ২৬০০ কোটিৰো অধিক ধন ব্যয়ত অনুমোদন জনাইছিল। আঁচনিখনত বন্যপ্ৰাণীৰ আৱাসভূমিৰ উন্নয়নৰ লগতে হস্তী সংৰক্ষণ প্ৰকল্প আৰু ব্যঘ্ৰ প্ৰকল্পৰ দৰে গুৰুত্বপূৰ্ণ প্ৰকল্পও অন্তৰ্ভুক্ত হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই আঁচনিৰ অধীনত কমেও ৫০ লাখ কৰ্ম দিন সৃষ্টিৰে জীৱিকা উপাৰ্জনৰ সুযোগ দিয়া হৈছে। এই আঁচনিয়ে মুঠ ৫৫ টা ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল, ৩৩ টা হস্তী সংৰক্ষিত বনাঞ্চল আৰু ৭১৮ টা সুৰক্ষিত এলেকাৰ লগতে ইয়াৰ কাষৰীয়া মণ্ডলসমূহ সামৰি লৈছে। এই আঁচনিখন অব্যাহত ৰখাৰ ফলত চৰকাৰে বাঘৰ লগতে অন্যান্য বন্যপ্ৰাণী সংৰক্ষণ নিশ্চিত কৰাৰ লগতে দেশৰ বিত্তীয় দিশ আৰু পৰিবেশ তন্ত্ৰ সমান্তৰালভাৱে বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

০০০

বাক্সা জিলাৰ বৰিমাখাত আজি এটা কৃষি তথ্য কেন্দ্ৰৰ শুভাৰম্ভ কৰা হয়। জিলাখনৰ কৃষি বিষয়াই কেন্দ্ৰটো উদ্বোধন কৰি কয় যে গ্ৰাম্য কৃষি কৰ্ম অভিজ্ঞতা আঁচনিৰ অধীনত এই কেন্দ্ৰটো গঢ়ি তোলা হৈছে। ইয়াত কৃষিজাত সামগ্ৰীৰ লগতে কৃষি সম্পৰ্কীয় সকলো তথ্য পোৱা যাব বুলি তেওঁ জানিবলৈ দিয়ে।এই উপলক্ষে আজি এখন মুকলি সভা অনুষ্ঠিত হয়।

০০০

তিনিচুকীয়া মাকুম ৰোডত থকা অসম হাইট্‌ছ পাব্লিক স্কুলত অনুষ্ঠিত চি বি এছ ই ফাৰ ইষ্ট সাঁতোৰ প্ৰতিযোগিতাত ১১ খন ৰাজ্যৰ ডেৰশ খন বিদ্যালয়ৰ ৫০০ ৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে। আজিৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত এই প্ৰতিযোগিতা বয়স অনুসৰি চাৰিটা বিভাগত আয়োজন কৰা হৈছে। প্ৰতিযোগিতাখনৰ ১২০ টা কাৰ্যসূচীৰ ভিতৰত ৬০ টা আজি অনুষ্ঠিত হ'ব।

০০০

ঃঃ সমাপ্ত ঃঃ